# অসম বিধান সভা
## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
### শনিবাৰ, ২৯ নৱেম্বৰ, ২০২৫

গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয়সমূহৰ বাহিৰে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীৰূপেশ গোৱালাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিষয়সমূহ), কৰ্মচাৰী, লোক নিৰ্মাণ (প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আৰু বিভাগৰ অন্য বিষয়সমূহৰ বাহিৰে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পালক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিষয়সমূহ), চিকিৎসা শিক্ষা আৰু গৱেষণা (প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু বিভাগৰ অন্যান্য বিষয়সমূহৰ বাহিৰে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীপ্ৰশান্ত ফুকনক সময়ে সময়ে অৰ্পণ কৰা বিষয়সমূহ), প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন, মুখ্যমন্ত্ৰীৰ সচিবালয়, নিৰ্বাচন, বিধায়ন, ৰাজনৈতিক, ৰূপান্তৰ আৰু উন্নয়ন আৰু কোনো মন্ত্ৰীৰ অধীনত ন্যস্ত নকৰা বিভাগ, পাৰ্বত্য অঞ্চল উন্নয়ন, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি (প্ৰত্নতত্ত্ব সঞ্চালকালয় আৰু পুথিভঁৰাল আৰু সংগ্ৰহালয় সঞ্চালকালয়) লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ, শক্তি, দক্ষতা নিয়োগ আৰু উদ্যমিতা, চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰত যোজনা আৰু বিভাগৰ অন্যান্য বিষয়সমূহ), পশুপালন আৰু পশু চিকিৎসা, মীন, লোক নিৰ্মাণ পথ, (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু বিভাগৰ অন্য বিষয়সমূহ) শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ন, গৃহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা বিভাগৰ অন্যান্য বিষয়সমূহ)।

---

প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০

*Sub.* : **Status of Electrification and Transformers in Dholai Vidhansabha Constituency.**

Shri NIHAR RANJAN DAS :

201. Will the Minister of Power Department be pleased to state :

(a) The total number of households in the Dholai Constituency that are yet to be electrified and the number of applications pending for new service connections ?

(b) The detailed, Gaon Panchayat-wise list of new Distributions Transformers (DTRs) sanctioned and installed in the constituency in the financial years 2024-25 and 2025-26 ?

(c) The total number of existing (DTRs in the constituency that are currently non-functional or damaged and the expected timeline for their replacement or repair.

(d) The total funds allocated and utilized for upgrading the power infrastructure (including replacing old wires and poles) in the Dholai constituency during this period.

*বিষয় ঃ* **অৰ্ধ সমাপ্ত সেতু**

শ্রীসুজাম উদ্দিন লস্কর ঃ

২০২। মাননীয় লোক নির্মাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার গুদামগাঠে PWD বিভাগের আওতায় কাটাখাল (Katakhal) নদীর উপর বিগত ২০১৮-১৯ অর্থ বৎসরে Signature Project এবং একটি RCC Bridge সরকারীভাবে শিলান্যাস করা হয়, কিন্তু দুঃখের বিষয় আজ অবধি অর্ধ সমাপ্ত অবস্থায় সেতুটি পড়ে থাকার বিষয়ে সরকার অবগত আছে কি?

(খ) যদি অবগত থাকে, তবে কবে নাগাদ উক্ত Bridge এর কাজ সম্পূর্ণ হবে?

*বিষয় ঃ* **In missing link/bridge gaps আঁচনি।**

হাফিজ বচিৰ আহমেদ ঃ

২০৩। মাননীয় লোক নির্মাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ০৩-০৩-২০২৫ ইং তাৰিখৰ তৰাবিহীন প্ৰশ্ন (১৪৭ নং)ৰ উত্তৰত Assam Resilient Rural Bridges Program (ARRBP)ৰ অধীনত টিপকাই নৈৰ ওপৰত Extension of Mahamaya IB to Gutipara Road দলংখনৰ অনুমোদনৰ বাবে প্ৰস্তুতি চলাই থকা বুলি কৈছিল। উক্ত দলংখনৰ প্ৰস্তাৱটি অনুমোদন পালেনে? যদি পাইছে, সেই অঞ্চলৰ জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কেতিয়ালৈ দলং নিৰ্মাণৰ কাম আৰম্ভ কৰিব? (বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

*বিষয় ঃ* **চৰকাৰী কৰ্মচাৰীসকলৰ পেঞ্চন নীতি**

শ্ৰীনিজানুৰ ৰহমান ঃ

২০৪। মাননীয় ৰাজহুৱা অভিযোগ আৰু পেঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

২০০৫ চনৰ আগত বা পিছত চৰকাৰী চাকৰিত যোগদান কৰা কৰ্মচাৰীসকলক (NPS) নতুন পেঞ্চন নীতিৰ পৰা (OPS) পুৰণি পেঞ্চন নীতিৰ আওঁতালৈ আনিব বুলি চৰকাৰে ঘোষণা কৰিছিল। সেই অনুসৰি উক্ত কৰ্মচাৰীসকলে এই সুবিধা লাভ কৰি আছেনে? যদি লাভ কৰা নাই, চৰকাৰী কৰ্মচাৰীসকলক পুৰণি পেঞ্চন নীতিৰ (OPS) আওঁতাত আনিবলৈ চৰকাৰে কি ধৰণৰ পৰিকল্পনা কৰিছে? (বিস্তাৰিত তথ্য সদনত দাখিল কৰিব।)

*Sub.* : **Construction IB Building**

Shri SIRAJUDDIN AJMAL :

205. Will the Minister of PWD (Building) be pleased to state :

(a) Is the Government aware that after submitting the letter MLA/JMK/169/AS/2024-25 dated 28/08/2024 to

the Hon'ble Chief Minister, the Special Chief Engineer (Buildings), PWD had taken necessary steps for the construction of two PWD IB Buildings at Doboka and Nilbagan, accordingly, to take all necessary steps, he had issued a letter (Memo No. CE/TB- VII/ 188/2022/pt/07 dated 14 November 2024) to the Executive Engineer, PWD (Buildings), Hojai Divisionj.

(b) If so, please give the latest update regarding the above matter including the process of allocating funds for the construction of these two PWD IB Buildings in the current year.

(c) If funds are not allocated in the current year, will the process of allocating funds for the above two PWD IB Buildings be completed by the next financial year ? Please provide details.

*বিষয় ঃ* **পশু চিকিৎসা হাস্পাতালগুলির বেহাল অবস্থা প্রসঙ্গে।**

শ্রীখলিল উদ্দিন মজুমদার ঃ

২০৬। মাননীয় পশুপালন এবং পশু চিকিৎসা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আসামে রাজ্যের বিভিন্ন পশু চিকিৎসা হাস্পাতালের অবস্থা বর্তমানে অত্যন্ত বেহাল, অধিকাংশ স্থানে পশু চিকিৎসকের পদ শূন্য এবং প্রয়োজনীয় চিকিৎসা সুবিধারও মারাত্মক অভাব বিদ্যমান —এ বিষয়ে সরকার অবগত আছে কি?

(খ) সরকার কি দ্রুত শূন্য পদ পূরণ ও পরিকাঠামোগত উন্নয়নের মাধ্যমে এসব পশু চিকিৎসা হাস্পাতালের কার্যক্ষমতা বৃদ্ধি করার কোনো পদক্ষেপ গ্রহণ করেছে বা গ্রহণের পরিকল্পনা নিয়েছে?

(গ) রাজারটিলা ভেটেরিনারি হাস্পাতালেরে পশু চিকিৎসাকর শূন্য পদটি পুরণের জন্য কোনো উদ্যোগ গ্রহণ করা হয়েছে কি?

*Sub.* : **Renovation of Veterinary Sub-Centre.**

Shri MIHIR KANTI SHOME :

207. Will the Minister of Animal Husbandry and Veterinary Department be pleased to state :

A few Veterinary Sub-centre in Udarbond is in a delapildated condition. Does the Government has any Scheme under which renovation work can be carried out ?

*Sub.* : **Utilization of LAD fund under Baghbar LAC etc.**

Shri SHERMAN ALI AHMED :

208. Will the Minister of Transformation and Development Department be pleased to state :

(a) What Schemes are recommended by the questioner under LAD of 2024-25 ? Please furnish scheme-wise dates of recommendation, administrative approval, release of first & second installment.

(b) Is it true that DC should accord administrative approval within 30 days (Para 2.8 of guidelines) ?

(c) Is it true that in case district authority considers that a recommended work cannot be executed for some reasons, then MLA concerned should

be informed within 30 days from receipt of such proposal (para 3.8 of guidelines) ?

(d) Despite above provisions in guidelines, why schemes of 2024-25 are not sanctioned within prescribed time ?

(e) What is the unspent amount of LAD w.e.f. 2011-12 to 2022-23 under Baghbar LAC ? Please furnish year-wise and scheme-wise details.

(f) Is it true that the boat with MPLAD of ex-MP Sirajuddin Ajmal for Bamundongra is now missing ? If not, where the boat is operating now ? Please furnish the amount and year of sanction.

*বিষয় ঃ* **কাটিগড়ার বিদ্যুৎ সমস্যা সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

২০৯। মাননীয় শক্তি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আসামের মোট Peak Hour Demand কত এবং Supply কতটুকু হচ্ছে? বরাকে মোট Peak Hour Demand কত এবং Supply কতটুকু দেওয়া হচ্ছে?

(খ) কাটিগড়ার বিদ্যুৎ সমস্যা যেহেতু লাঘব করা যাচ্ছে না তাই এই এলাকায় 132 KV Sub Station করা হবে কী? যদি হয় তাহলে কবে নাগাদ কাজ হবে?

(গ) Unelectrified Household দেরকে বিদ্যুৎ দেওয়ার জন্য NK Power কে কবে কাজের অর্ডার দেওয়া হয়েছে? কোন কোন জেলায় কত শতাংশ কাজ হয়েছে? কাটিগড়া তথা অন্যান্য কিছু জায়গায় কেন মন্থর গতিতে কাজ চলছে? আগামী মার্চের ভিতরে কাজ শেষ হবে কী?

(ঘ) ASEB এর outsource এর under এ কর্মরত কর্মীদের কোনো ধরনের fixed pay বা স্থায়ীকরণের জন্য সরকার কী ধরনের পদক্ষেপ গ্রহণ করবেন তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

*বিষয় ঃ* **অরুণোদয় প্রাপ্ত-তালিকা থেকে নাম বাদ পড়া।**

শ্রীনিজাম উদ্দিন চৌধুরী ঃ

২১০। মাননীয় কর্মচারী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আলগাপুর বিধান সভা সমষ্টিতে অরুণোদয় প্রাপ্ত যেমন— বিধবা, বিকলাঙ্গ, অবিবাহিত মহিলা, উক্ত হিতাধিকারীর নাম তালিকা থেকে বাদ পড়েছে তাহাদের নাম তালিকায় অন্তর্ভুক্ত করার কেনে পদক্ষেপ নেওয়া হয়েছে কি?

(খ) যদি হয় তবে কবে হবে?

*বিষয় ঃ* **মংগলদৈত নিৰ্মাণৰত দক্ষতা বিশ্ববিদ্যালয় সম্পর্কে।**

শ্রীবসন্ত দাস ঃ

২১১। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মংগলদৈত নিৰ্মাণৰত দক্ষতা বিশ্ববিদ্যালয়ৰ চৌহদত মাটি পেলোৱাৰ নামত সৰ্বমুঠ কিমান টকা আবণ্টন হৈছিল?

(খ) এতিয়ালৈ সৰ্বমুঠ কিমান টকাৰ মাটি পেলোৱা হ'ল? যোৱা ২০২২ চনৰ বানপানীত বিশ্ববিদ্যালয়খন কিয় পানীত বুৰ গৈছিল? HFL চোৱা নাছিল নেকি? সবিশেষ জনাব।

(গ) মাটি পেলোৱাৰ বাবে অসম চৰকাৰে সৰ্বমুঠ কিমান টকাৰ Royalty বন বিভাগক দিব লগা হ'ল? টকাৰ পৰিমাণ সহ সবিশেষ জনাব।

(ঘ) চৌহদৰ বেৰ নিৰ্মাণৰ বাবে সৰ্বমুঠ কিমান টকাৰ আবণ্টন হৈছিল আৰু কিমান টকা ব্যয় হ'ল? সবিশেষ জনাব।

*বিষয় ঃ* **ক্ষুদ্ৰ উদ্যোগ গঢ়ি থলুৱা নিবনুৱাক কৰ্মসংস্থাপন সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

২১২। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে এডভান্টেজ আসামৰ জৰিয়তে ৰাজ্যত উদ্যোগ গঢ় দিয়াৰ ঘোষণা কৰিছে যদিও ৰাজ্যৰ অৰ্থনীতিত ব্যাপক পৰিবৰ্তন কৰিব পৰা গ্ৰাম্যাঞ্চলৰ ক্ষুদ্ৰ উদ্যোগসমূহক আগবঢ়াই নিয়াৰ আজিলৈকে কোনো সু-ব্যৱস্থা লোৱা হোৱা নাই, এই বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) গ্ৰাম্যাঞ্চলত ST বিদ্যুৎ সংযোগ প্ৰতি ঘৰৰ চোতালেৰে নিয়াৰ ব্যৱস্থা কৰা, চৰকাৰীভাৱে এনে ক্ষুদ্ৰ উদ্যোগ সমূহক ৰাজ সাহাৰ্য্য দি 10 বা 15KV ট্ৰেন্সফৰ্মাৰৰ ব্যৱস্থা কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব বিদ্যুৎ বিভাগক প্ৰদান কৰি ক্ষুদ্ৰ উদ্যোগ গঢ়াত সহায় কৰিবনে?

(গ) এনেক্ষেত্ৰত চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি? সবিশেষ তথ্য বাৰ্ষিক হিচাবত সদনৰ মজিয়াত দাঙি ধৰিব।

*বিষয় ঃ* **Untied Fundৰ আঁচনি ৰূপায়ণ**

শ্ৰীদিগন্ত বৰ্মন ঃ

২১৩। মাননীয় ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰূপান্তৰ আৰু উন্নয়ন বিভাগে ২০১৬-১৭ বৰ্ষৰ পৰা ২০২৪-২৫ চনলৈ নলবাৰী জিলাত 'আনটাইড' পুঁজি (Untied Fund)ৰ দ্বাৰা কিমানখন আঁচনি ৰূপায়ণ কৰিছে?

(খ) এই আঁচনিসমূহৰ বিপৰীতে চৰকাৰক "Utilization Certificate" (UC) দাখিল কৰিছেনে?

(গ) ২০১৬-১৭ চনৰ পৰা ২০২৪-২৫ বৰ্ষৰ ভিতৰত বৰক্ষেত্ৰী সমষ্টিত Untied Fundৰ পৰা কিমান আঁচনি ৰূপায়ণ কৰিছে? (অনুগ্ৰহ কৰি বছৰ অনুযায়ী কামৰ বিৱৰণ, টকাৰ পৰিমাণ আৰু UC দাখিল কৰাৰ তথ্য সদনত দাখিল কৰিব।)

(ঘ) ২০১৯-২০ বৰ্ষত বৰভাগৰ কালাগত এটা অডিটৰিয়াম নিৰ্মাণৰ বাবে ৰূপান্তৰ আৰু উন্নয়ন বিভাগে ৫০,০০০০০/ (পঞ্চাশ লাখ) টকা মঞ্জুৰ কৰিছিল নেকি?

(ঙ) উক্ত আঁচনিখনৰ ৰূপায়ণ সম্পূৰ্ণ হৈছেনে?

(চ) যদি হোৱা নাই, এই ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **পঞ্জীয়নভুক্ত শিক্ষিত নিবনুৱা নিযুক্তি সম্পৰ্কে।**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

২১৪। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ২০০৬ চনৰ পৰা ২০১৬ ইং চনলৈ কিমানজন শিক্ষিত পঞ্জীয়নভুক্ত নিবনুৱা আছিল আৰু তাৰে কিমানজন শিক্ষিত নিবনুৱাক চৰকাৰে নিযুক্তি প্ৰদান কৰিছিল? বিত্তীয় বৰ্ষ অনুযায়ী, বিভাগ অনুপাতে নিযুক্তি দিয়াৰ সবিশেষ তথ্য জিলাভিত্তিত তালিকা সদনত দাখিল কৰিব।

(খ) অসমত ২০১৬ চনৰ পৰা ২০২১ চনলৈ কিমানজন পঞ্জীয়নভুক্ত শিক্ষিত নিবনুৱা আছিল আৰু তাৰে কিমানজন শিক্ষিত নিবনুৱাক চৰকাৰে নিযুক্তি প্ৰদান কৰিছে। বিত্তীয় বৰ্ষ অনুযায়ী, বিভাগ অনুপাতে নিযুক্তি দিয়াৰ সবিশেষ তথ্য জিলাভিত্তিত তালিকা সদনত দাখিল কৰিব।

(গ) অসমত ২০২১ চনৰ পৰা বৰ্তমানলৈকে কিমানজন পঞ্জীয়নভুক্ত শিক্ষিত নিবনুৱা আছে আৰু তাৰে কিমানজন শিক্ষিত নিবনুৱাক চৰকাৰে নিযুক্তি প্ৰদান কৰিছে? বিত্তীয় বৰ্ষ অনুযায়ী, বিভাগ অনুপাতে নিযুক্তি দিয়াৰ সবিশেষ তথ্য জিলাভিত্তিত তালিকা সদনত দাখিল কৰিব।

*বিষয় ঃ* **কাম আবণ্টন সম্পৰ্কে**

শ্ৰীফণীধৰ তালুকদাৰ ঃ

২১৫। মাননীয় লোক নিৰ্মাণ (গৃহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লোক নিৰ্মাণ (গৃহ) বিভাগৰ অধীনত বিত্তীয় বৰ্ষ, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ত Contractor- M/S MACROCOSM BUILDER, BARPETA কিমান টকাৰ কাম আবণ্টন দিয়া হৈছে?

(খ) ইয়াৰে কিমান শতাংশ কাম সময়সীমাৰ ভিতৰত সম্পূৰ্ণ হৈছে আৰু কিমান শতাংশ কাম বাকী আছে?

(গ) কামৰ মানদণ্ড BOQ ৰ মতে হৈছেনে?

(ঘ) বৰ্তমান উক্ত ঠিকাদাৰজনে কিমান কাম আবণ্টনলৈ বৰ্তমানে কাম আৰম্ভ কৰা নাই? এই সকলোবোৰ সংক্ষিপ্ত সহকাৰে জনাব।

*বিষয় ঃ* **পথ নিৰ্মাণ আৰু মেৰামতি**

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ

২১৬। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোগামুখৰ পৰা ঢকুৱাখানালৈ ৰাজ্যিক ঘাইপথৰ পুনৰ নিৰ্মাণ কেতিয়া কৰা হ'ব?

(খ) ঢকুৱাখানা সমষ্টিৰ পাতৃচুক গাঁৱৰ পৰা আলিমুৰ চাপৰি হৈ আলিমুৰ বালি গাঁৱৰ সোঁৱণশিৰি মথাউৰিলৈ যোৱা পথটি পুনৰ নিৰ্মাণ কেতিয়া কৰা হ'ব?

(গ) ঢকুৱাখানাৰ বালি দেউৰী-মাজুলি দলং নিৰ্মাণ কৰিব নেকি? যদি কৰে, কেতিয়া কৰিব, কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব জনাব।

(ঘ) গুৱাহাটীৰ ভঙাগড়ৰ উৰণীয়া সেতুখন জননেতা ভীমবৰ দেউৰীৰ নামত উছৰ্গা কৰিবলৈ অসম চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কেতিয়া কৰিব ?

(ঙ) মাজুলী জিলাৰ ১ নং সুৱৰ্ণ দেউৰী নগৰৰ পৰা চেৰেপাই লোক নিৰ্মাণ বিভাগৰ পথ সংযোগী ৰাজ্যিক স্বনিয়োজন আঁচনিৰ অধীনত নিৰ্মাণ কৰি থকা পথটো কেতিয়া সম্পূৰ্ণ কৰা হ'ব?

*বিষয় ঃ* **আদিবাসী উন্নয়ন পৰিষদৰ আঁচনি আৰু পুঁজি সম্পৰ্কে।**

শ্ৰীতেৰছ গোৱালা ঃ

২১৭। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ অধীনত আদিবাসী উন্নয়ন পৰিষদ গঠন কৰা হৈছে নেকি? সবিশেষ জনাব।

(খ) আদিবাসী উন্নয়ন পৰিষদৰ জৰিয়তে কি কি আঁচনি ৰূপায়ণ কৰি থকা হৈছে? আঁচনিসমূহৰ সম্পৰ্কত সবিশেষ জনাব।

(গ) আদিবাসী উন্নয়ন পৰিষদৰ আঁচনি ৰূপায়ণৰ বাবদ কিমান টকাৰ পুঁজি আবণ্টন দিয়া হৈছে? বৰ্ষ ভিত্তিত সবিশেষ তথ্য দিব।

(ঘ) আদিবাসী উন্নয়ন পৰিষদৰ আঁচনি সমূহ কোন কোন জাতি-গোষ্ঠী, সম্প্ৰদায়ৰ লোক সকলক দিয়া হ'ল? জাতি-গোষ্ঠী সম্প্ৰদায়সমূহৰ নামসহ তালিকা দিব।

*বিষয় ঃ* **চাবুৱা ৰাজহ চক্ৰ কাৰ্য্যালয় সম্পৰ্কে**

শ্ৰীপোনাকণ বৰুৱা ঃ

২১৮। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৯ চনৰ ১২ ডিচেম্বৰ'ত অসমৰ অন্য ঠাইৰ লগতে চাবুৱা অঞ্চলতো 'কা' আন্দোলনে হিংসাত্মক ৰূপ ধাৰণ কৰাত ইয়াৰ বহু কেইটা ৰাজহুৱা, চৰকাৰী প্ৰতিষ্ঠান ধ্বংস হৈছিল। তাৰ ভিতৰত অন্যতম চাবুৱা ৰাজহ চক্ৰ কাৰ্যালয়। ধ্বংস হোৱা ৰাজহ চক্ৰ কাৰ্য্যালয়টি বৰ্তমান অন্য ঠাইৰ পৰা কাৰ্য্যনিৰ্বাহ কৰি থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) ধ্বংস হোৱা কাৰ্যালয়টি পুনৰ নিৰ্মাণ, মেৰামতিৰ বাবে লোক নিৰ্মাণ বিভাগে মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশত দুবাৰকৈ প্ৰাক্কলন প্ৰস্তুত কৰিও বৰ্তমানলৈকে নিৰ্মাণ নকৰাৰ কাৰণ কি?

(গ) বৃহত্তৰ চাবুৱাবাসীৰ সুবিধাৰ বাবে চাবুৱা ৰাজহ চক্ৰ কাৰ্য্যালয়টি কেতিয়ালৈ নিৰ্মাণ কৰিব?

*বিষয় ঃ* **পদ আৰু পদোন্নতি সম্পৰ্কে**

শ্ৰীদুৰ্গা দাস বড়ো ঃ

২১৯। মাননীয় শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Vertical Horizontal সংৰক্ষণ অনুসৰি ১৫ টা পদ দেউৰী জনগোষ্ঠীৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা কৰা হ'বনে? সদনত সবিশেষ তথ্য দাখিল কৰিবনে?

(খ) বয়লাৰ (Boiler) বিভাগত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কিমানটা পদ খালী হৈ আছে? এই খালী পদবোৰ কিমান দিনৰ ভিতৰত পূৰণ কৰা হ'ব? সদনত সকলো তথ্য দাখিল কৰিব।

(গ) বয়লাৰ পৰিদৰ্শক (Inspector of Boiler) পদ সমূহৰ পদোন্নতি দিয়া হৈছেনে? এই পদোন্নতি জ্যেষ্ঠতাৰ ভিত্তিত দিয়া হৈছেনে? ২০২১ ৰ পৰা বৰ্তমানলৈকে পদোন্নতি দিয়া তালিকাখন সদনত দাখিল কৰিব। পদোন্নতিৰ ক্ষেত্ৰত ST/SC ৰ সংৰক্ষণ নীতি (Roster) পালন কৰা হৈছেনে?

*বিষয় ঃ* **চাৰ্জিং কেন্দ্ৰ সম্পৰ্কে**

শ্ৰীআব্দুছ ছোবাহান আলী সৰকাৰ ঃ

২২০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Electric Vehicle Policy of Assam, 2021ৰ অধীনত অসমত কিমান ব্যক্তিগত মালিকাধীন চাৰ্জিং কেন্দ্ৰ আৰু battery swapping station কাৰ্য্যক্ষম হৈ আছে, জনাব।

(খ) চাৰ্জিং কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে ১০ লাখ টকা পৰ্য্যন্ত ৰাজসাহাৰ্য্য প্ৰদানৰ যি ব্যৱস্থা কৰিছে ইয়াৰ দ্বাৰা ৰাজকোষত পৰিব পৰা বিৰূপ প্ৰভাৱৰ সমীক্ষা চৰকাৰে কৰিছে নেকি? যদি কৰিছে, বিগত তিনিটা বিত্তীয় বছৰৰ তথ্য দাখিল কৰিব।

(গ) পৰৱৰ্তী পৰ্য্যায়ত চৰকাৰে এই ৰাজসাহাৰ্য্য প্ৰদানৰ ক্ষেত্ৰত সংশোধনী আনিব নেকি বা এই ধনৰ উৰ্ধতম সীমা কম কৰাৰ চিন্তা কৰিছে নেকি?

(ঘ) বিগত তিনিটা বছৰত fire and safety standards পূৰণ কৰা পেট্ৰ'ল পাম্পৰ সংখ্যাৰ সবিশেষ তথ্য সদনত দাখিল কৰিব।

(ঙ) চৰকাৰে EV আৰু Battery নিৰ্মাতাসকলৰ সৈতে মিলি বেটাৰী নৱীকৰণ গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা হাতত লৈছে নেকি? যদি লৈছে, ২০২১ চনৰ নীতি অনুসৰি তথ্য দাখিল কৰিব।

*বিষয় ঃ* **অভয়াপুৰী উত্তৰ/সৃজন গ্ৰাম বিধান সমষ্টিৰ পথ আৰু দলং নিৰ্মাণ সম্পৰ্কে।**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

২২১। মাননীয় লোক নিৰ্মাণ পথ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত RIDF আৰু SOPD ৰ অধীনত ২০২১-২২ বৰ্ষৰ পৰা বৰ্তমানলৈকে মুঠ কিমান ধন, পথ নিৰ্মাণৰ বাবে আবণ্টিত হৈছে?

(খ) ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে পূৰ্বৰ অভয়াপুৰী উত্তৰ পথ উপ-সংমণ্ডল আৰু বৰ্তমানৰ সৃজন গ্ৰাম পথ উপ-সংমণ্ডলৰ অধীনস্থ অঞ্চলত বিভিন্ন শিতানত কি কি পথ নিৰ্মাণ নবীকৰণ/উন্নীতকৰণ আদি কাম মঞ্জুৰ কৰা হৈছে? বিত্তীয় বৰ্ষ, শিতান, মঞ্জুৰীকৃত ধনৰ পৰিমাণ, ৰাস্তাৰ নাম আৰু দৈৰ্ঘ্যসহ তালিকা দিব। আই নদীৰ দলঙৰ এপ্ৰচ্ (Approach) পথ, গাইড বান্ধৰ বিষয়েও উল্লেখ কৰিব। বৰ্তমান নিবিদা গ্ৰহণ কৰা কামৰ বিষয়েও উল্লেখ কৰিব।

(গ) বিশ্ব বেংকৰ আঁচনিৰ অধীনত এই উপ-সংমণ্ডলত কোন কোন দলঙৰ কাম মঞ্জুৰ কৰা হৈছে? দৈৰ্ঘ্য সহ তালিকা দিব। অন্যান্য কোনো দলঙৰ পকীকৰণৰ কাম এই আঁচনিত মঞ্জুৰীৰ বাবে বিবেচনাধীন হৈ আছে নেকি?

(ঘ) প্ৰধান মন্ত্ৰী গ্ৰামসড়ক যোজনাৰ অধীনত সৃজন গ্ৰাম বিধান সভা সমষ্টিত সৰ্বমুঠ কিমানটা ৰাস্তা অৰ্ন্তভুক্তিৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে? তালিকা দিব। ইয়াৰে অগ্ৰাধিকাৰ ভিত্তিত কোন কোন ৰাস্তাৰ কাম হাতত লোৱা হৈছে? ৰাস্তাৰ নাম, দৈৰ্ঘ্য, প্ৰাক্কলন ব্যয়ৰ তথ্য সহকাৰে সদনত জনাব।

*বিষয় ঃ* **পেঞ্চন**

শ্ৰীমতী নন্দিতা দাস ঃ

২২২। মাননীয় ৰাজহুৱা অভিযোগ আৰু পেঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ অধীনত বিভিন্ন বিভাগ সমূহত কৰ্মৰত চৰকাৰী-কৰ্মচাৰীৰ সংখ্যা কিমান? (Strength and Man in Position) বেলেগ কৈ জনাব।)

(খ) ইয়াৰে কিমান সংখ্যক লোক অৱসৰৰ পিছত OPS, NPS বা UPS ৰ অধীনত পেঞ্চন লাভ কৰে?

(গ) অসমৰ কৰ্মচাৰী সমাজে NPS বা UPS ৰ ঠাইত OPS পদ্ধতিত পেঞ্চন লাভৰ বাবে আবেদন/ অনুনয় কৰি থকাটো সত্যনে?

(ঘ) যদি সত্য হয়, তেন্তে ভাৰতৰ কিছুমান ৰাজ্যত OPS দি থকাৰ দৰে অসমত OPS পুনৰ লাগু কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

*বিষয় ঃ* **Low Voltage সম্পৰ্কে আৰু পুৰণি হোৱা বিদ্যুতৰ লাইনবোৰ মেৰামতি সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

২২৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Low Voltage, Load Sheddingৰ ব্যৱস্থা দূৰ কৰি নিয়মীয়াকৈ বিদ্যুতৰ যোগান ধৰাৰ কিবা ব্যৱস্থা হাতত লৈছে নে? যদি লৈছে, অতি সোনকালে ৰূপায়ণ কৰা হ'ব নে?

(খ) জলেশ্বৰ সমষ্টিৰ বহুতো গ্ৰামাঞ্চলৰ বিদ্যুতৰ লাইনবোৰ (Poll, Cable) পুৰণি হোৱাত, বতাহ নহওঁতেই ছিঙি যায়, সেইবোৰ মেৰামতি

কৰিবলৈ কিবা ব্যৱস্থা হাতত লৈছে নে? যদি লৈছে ৰূপায়ণ কৰিবলৈ কিমান সময় লাগিব, জনাবনে?

(গ) জলেশ্বৰ সমষ্টিৰ চৰ অঞ্চলবোৰত বিদ্যুতৰ ব্যৱস্থা নথকাত মানুহ বিলাকে বহুতো সমস্যাৰ সন্মুখীন হৈ পৰিছে। সেইবোৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ সৌৰশক্তিৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে নে? সবিশেষ তথ্য সদনত দাখিল কৰিব।

(ঘ) জলেশ্বৰ সমষ্টিত বৰ্তমানলৈকে কিমানটা Transformer আছে আৰু তাৰে কেইটা সক্ৰিয় হৈ আছে? বিকল হৈ থকা কেইটা কেতিয়া মেৰামতি কৰি দিয়া হ'ব? অনুগ্ৰহ কৰি জনাব।

*বিষয় ঃ* **আঁচনি ৰূপায়ণ সম্পৰ্কে**

শ্ৰীধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

২২৪। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ শ্ৰমিক কল্যাণ পৰিষদৰ জৰিয়তে সোণাৰি সমষ্টিৰ অন্তৰ্গত চাহ বাগিচাসমূহত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(খ) চাহ জনজাতি আৰু আদিবাসী উন্নয়নৰ বাবে চাহ কল্যাণ পৰিষদৰ কাৰ্য্যালয় সোণাৰি সমষ্টিত আছে নেকি? যদি নাই, এই চাহ কল্যাণ পৰিষদৰ কাৰ্য্যালয় স্থাপন কৰিবলৈ বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? সবিশেষ জনাব।

*বিষয় ঃ* **বেজ বা তান্ত্ৰিকসকলক নিষিদ্ধ কৰাৰ বিষয়ে।**

শ্ৰীভাস্কৰজ্যোতি বৰুৱা ঃ

২২৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কিছুমান লোকে তন্ত্ৰ-মন্ত্ৰ, বেজালি আদি কৰি যুৱক-যুৱতী সকলক বিপথে পৰিচালনা কৰে আৰু তেওঁলোকৰ পৰা ধন দাবী আদি কৰাও দেখা যায়। ইয়াৰ ফলত কিছুমানে নিজৰ প্ৰাণ হেৰুৱাবলগীয়াও হৈছে। এই বিষয়ে চৰকাৰ জ্ঞাত নে?

(খ) যদি জ্ঞাত, চৰকাৰে এক ন্যায়গতভাৱে আইন প্ৰণয়ন কৰি বেজ বা তান্ত্ৰিকসকলক নিষিদ্ধ কৰাৰ ব্যৱস্থা কৰিবনে? জনাব।

*বিষয় ঃ* **মিনি ষ্টেডিয়াম নিৰ্মাণ সম্পৰ্কে**

শ্ৰীমতী শিৰামণি বৰা ঃ

২২৬। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাৰ বৰ্ষণ গাঁৱত নিৰ্মাণৰত মিনি ষ্টেডিয়ামখনৰ বাবে কোন তাৰিখে নিবিদা আহ্বান কৰা হৈছিল আৰু কিমান টকাত কামৰ আবণ্টন দিয়া হৈছিল?

(খ) উক্ত মিনি ষ্টেডিয়ামখনৰ নিৰ্মাণৰ দায়িত্বত থকা সহকাৰী অভিযন্তা গৰাকীয়ে আত্মহত্যা কৰা আৰু DPR অনুসৰি নিৰ্মাণ নোহোৱাৰ অভিযোগ উঠাৰ পাছত বিভাগীয় এটি তদন্তকাৰী দলে লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ নিৰ্দেশত তদন্ত কৰিছিল, উক্ত তদন্তৰ প্ৰতিবেদন সদনত দাখিল কৰিবনে?

(গ) মুঠ কিমানখন মিনি ষ্টেডিয়াম লোক-নিৰ্মাণ বিভাগে নিৰ্মাণত অনুমোদন দিছিল? তাৰে কিমানখনৰ নিৰ্মাণ DPR মতে সম্পূৰ্ণ হ'ল?

(ঘ) নিৰ্মাণ সম্পূৰ্ণ হোৱা মিনি ষ্টেডিয়ামসমূহৰ কিমান খনৰ ফ্লাড লাইটৰ সংযোগ বিছিন্ন হৈ আছে আৰু কিমানখনত ফ্লাড লাইট বেয়া হৈ আছে?

*বিষয় ঃ* **থানা আৰু Out Post সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

২২৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কেইখন থানা আছে? বৰ্তমান গোৱালপাৰা জিলাত কেইখন থানা আৰু Out Post আছে। গোৱালপাৰা চহৰত থকা Out Post স্থানান্তৰ কৰা হ'ব নেকি?

(খ) যদি কৰে কিয়? এই Out Post স্থানান্তৰ নকৰি থানালৈ উন্নীত কৰিব পাৰিব নেকি? যদি কৰে, কেতিয়া কৰিব?

(গ) গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত উপদ্ৰৱ/অশান্তি এলেকা (Disturbance area) ডোপতলাঁত Out Post কেতিয়া স্থাপন কৰা হ'ব?

(ঘ) গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত মাটিয়া চাৰ্কোলৰ অধীনত ৮ (আঠটা) গাঁও পঞ্চায়তক সামৰিলে এক বৃহৎ অঞ্চলত এখনো আৰক্ষী থানা বা আৰক্ষী চকী নাই। এই বৃহৎ অঞ্চলত আৰক্ষী চকী বা আৰক্ষী থানাৰ ব্যৱস্থা কৰিব নেকি? যদি নকৰে, কিয়? তথ্যসহকাৰে সদনত জনাব।

(ঙ) ২০২১ চনৰ পৰা বৰ্তমানলৈকে কিমান ড্ৰাগছ সেৱন আৰু সৰবৰাহকাৰী কৰায়ত্ব কৰিছে আৰু Encounter ত কিমান মৃত্যুবৰণ কৰিছে? তথ্য সহকাৰে সদনত জনাব।

(চ) ড্ৰাগছ সেৱন আৰু সৰবৰাহ বন্ধ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, কি কি তথ্য সহকাৰে জনাব।

(ছ) অসমত কিমান Home Guard আছে? Home Guard কেনেকৈ নিয়োগ কৰা হয়? Home Guard ৬ মাহৰ মূৰে মূৰে কৰ্মবিৰতি নিদি Continue কৰাৰ ব্যৱস্থা কৰিব নেকি? তথ্যসহ জনাব।

*বিষয় ঃ* **দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ লগতে অসমৰ কাৰাগাৰ সম্পৰ্কে।**

মোঃ আমিনুল ইছলাম ঃ

২২৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন কাৰাগাৰ আছে আৰু তাত কিমান কয়দী বন্দী হৈ আছে? সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) অসমৰ কোন কোন পূৰ্ণ পৰ্য্যায়ৰ জিলাত কাৰাগাৰ নাই আৰু কিয় নাই?

(গ) দক্ষিণ শালমাৰা মানকাচাৰ জিলাত কাৰাগাৰ নিৰ্মাণ কাৰ্য্য কেতিয়া আৰম্ভ হ'ব? ইয়াৰ বাবে ভূমি অধিগ্ৰহণ আৰু পুঁজি আবণ্টন দিয়া হৈছে নেকি? নিৰ্মাণ কাৰ্য্যৰ বাবে কোনো নিবিদা গ্ৰহণ কৰা হৈছে নেকি? যদি হৈছে, তেন্তে কিয় এতিয়ালৈ কাৰাগাৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হোৱা নাই? কেতিয়ালৈকে আৰম্ভ কৰা হ'ব? বিস্তাৰিত ভাৱে সদনত জনাব।

(ঘ) দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ সৰ্বমুঠ কিমান কয়দী বন্দী হৈ আছে? অসমৰ কোন কোন কাৰাগাৰত কিমানজনকৈ কয়দী বন্দী হৈ আছে? সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **হাইলাকান্দি Statefed এর জমি বেদখলকারীদের উপর মামলা।**

শ্ৰীজাকির হুসেন লস্কর ঃ

২২৯। মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার রাঙ্গাইটিতে অবস্থিত Statefed এর জমি বেদখলকারি

দুষ্কৃতীদের উপর হাইলাকান্দি জেলা প্রশাসনের পক্ষ থেকে একটি মামলা হাইলাকান্দি সদর থানায় দায়ের করা হয়েছিল। সেই মামলার পরিপ্রেক্ষিতে আসামীদের বিরূদ্ধে কী ব্যবস্থা গ্রহণ করা হয়েছিল? বিস্তারিত তথ্য সদনে জানানোর জন্য অনুরোধ করছি।

(খ) যদি ব্যবস্থা গ্রহণ করা হয়নি, তাহলে কেন ব্যবস্থা গ্রহণ করা হ'লো না? বিস্তারি তথ্য সদনে জানানোর জন্য অনুরোধ করছি।

(গ) এই মামলার তদন্তকারী আধিকারিকের তদন্ত প্রক্রিয়ায় কি কোনো গাফিলতি ছিল? বিস্তারিত তথ্য সদনে জানানোর জন্য অনুরোধ করছি।

*বিষয় ঃ* **গ্রামীণ উপপথ (রাস্তা) উন্নয়ন এবং PWD রাস্তা সম্পর্কে।**

শ্রীআব্দুল আজিজ ঃ

২৩০। মাননীয় PWD বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বিগত ২০২২ ইংরাজীর বন্যায় এবং এই বারের অতি বৃষ্টিতে গ্রামীণ উপপথ (রাস্তা) গুলির অবস্থা খুবই বেহাল মানুষের চলাচলের অনুপযুক্ত। গ্রামের জনগণের একটাই আবদার (দাবী) ঐ রাস্তাগুলির কাজ করিয়ে দেওয়ার জন্য। গ্রামের ৩ মিটার প্রস্থ (Breath) থাকা যেগুলির দৈর্ঘ্য (Lenght) প্রায় ৫০০ মিটার/ ১ কিলোমিটার দৈর্ঘ্য থাকা রাস্তাগুলির জন্য সরকার কি কোনো পদক্ষেপ গ্রহণ করিয়াছে? কিংবা শীতকালীন অধীবেশনে এই রাস্তাগুলির নিয়ে কি পদক্ষেপ নেওয়া হবে। সদনে জানাবেন।

(খ) বদরপুর সমষ্টিতে কোনগুলি রাস্তার কাজ এখন পর্যন্ত Maintenance এর আওতাধীন? রাস্তাগুলির নামসহ বিস্তারিত সদনে জানাবেন।

*বিষয় ঃ* **শ্রমিকসকলৰ বিভিন্ন সমস্যা সম্পৰ্কে**

শ্রীপ্রদীপ সৰকাৰ ঃ

২৩১। মাননীয় শ্রমিককল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দুৰ্ঘটনা আৰু পেঞ্চনৰ সহায়ৰ বাবে ৩০ দিনৰ আইনী সময় সীমাৰ ভিতৰত নিষ্পত্তি নোহোৱা আবেদনৰ সংখ্যা কিমান?

(খ) চৰকাৰে নিৰ্মাণ কৰ্মচাৰীক কোনো ধৰণৰ মাচুল নোলোৱাকৈ পঞ্জীয়ন কৰিছেনে? যদি কৰিছে, তেন্তে বিগত তিনি বছৰত জিলা ভিত্তিক তালিকা প্ৰদান কৰিব।

(গ) বিগত তিনি বছৰত অৰ্থনৈতিক অসুবিধাৰ বাবে Building and other Construction Workers, Welfare Fund ৰ অৱদান কৰিব নোৱাৰা নিৰ্মাণ কৰ্মচাৰী আৰু তিনি মাহৰ অধিক ধন জমা দিয়া নিৰ্মাণ কৰ্মচাৰীৰ সংখ্যা কিমান?

(ঘ) চৰকাৰে ৫০ জনতকৈ অধিক মহিলা কৰ্মচাৰী নিয়োজিত নিৰ্মাণ স্থানসমূহৰ সমীক্ষা কৰিছে নে? যদি কৰিছে, তেন্তে মহিলা কৰ্মচাৰীৰ সন্তানৰ বাবে ব্যৱহৃত আৰু পৰিচালিত শিশু গৃহৰ বিস্তাৰিত বিৱৰণ দাঙি ধৰিব।

(ঙ) বিগত তিনি বছৰত Welfare Board এ Building and other Construction Workers Welfare Fund ৰ ব্যৱহাৰ নিৰ্মাণ কৰ্মচাৰীৰ আৱাস গৃহ শিক্ষা আৰু স্বাস্থ্য উন্নীতকৰণৰ বাবে ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, বিস্তাৰিত বিৱৰণ দাঙি ধৰিব।

*বিষয় ঃ* **চুৰি, ডকাইটি, হত্যা, লুণ্ঠন, অপহৰণ আদি ঘটনা সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

২৩২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৪-১৫,২০২০-২১ আৰু ২০২৪-২৫ চনত ৰাজ্যখনত চুৰি, ডকাইটি, হত্যা, লুণ্ঠন, অপহৰণ, যৌতুক, ডাইনী আদি কিমান ঘটনা সংঘটিত হ'ল, জনাবনে?

(খ) ২০১৪-১৫,২০২০-২১ আৰু ২০২৪-২৫ চনত গুৱাহাটী মহানগৰীত চুৰি, ডকাইটি, হত্যা, লুণ্ঠন, অপহৰণ, যৌতুক, ডাইনী আদি ঘটনা সংঘটিত হ'ল, জনাবনে?

(গ) এতিয়ালৈকে বাল্য বিবাহত কিমানজন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হ'ল?

(ঘ) চাইবাৰ ক্ৰাইমত জড়িত কিমান ব্যক্তিক এতিয়ালৈকে ৰাজ্যখনত গ্ৰেপ্তাৰ কৰা হ'ল? চাইবাৰ ক্ৰাইমত গ্ৰেপ্তাৰ কৰা ব্যক্তিসকল কি অপৰাধত গ্ৰেপ্তাৰ হ'ল জনাবনে?

(ঙ) চাইবাৰ ক্ৰাইম ক্ৰমশঃ বৃদ্ধি হোৱা পৰিলক্ষিত হোৱা নাইনে? ইয়াৰ প্ৰতিৰোধৰ বাবে চৰকাৰে কি বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণ কৰিছে, জনাবনে?

*Sub.* : **D Voters, Foreigners and Detention Camps.**

Shri ABDUR RASHID MANDAL :

233. Will the Minister of Home Department be pleased to state :

(a) The list of Foreigners Tribunals with the name of respective members functioning in the state with number of case under trial or process with each one.

(b) The district-wise total numbers of 'D'-Voters as on 01-11-2025.

(c) The numbers of D-Votes cases trialed numbers of D-Voters declared foreigners by the Foreigners Tribunals, numbers of such foreigners are stayed by the Hon'ble Gauhati High Court or the Hon'ble Supreme Court, numbers of such foreigners deported or sent to Detention Camp during the period of 2017-18 to 2025-26.

(d) The list of Detention Camp with list of persons and address who are detained in the Detention Camps showing period of detention of everyone.

(e) The list of accused persons who died in police Custody or got bullet injuries died on Police firing before taking into Police Custody during the period of 2020-21 till date. Whether such cases are enquired by any Magistrate or any other competent authority till date ? If not, why ? if yes Please furnish the reports.

*Sub.* : **Fishery Schemes**

Smti. SUMAN HARIPRIYA :

234. Will the Minister of Fishery Department be pleased to state :

(a) The LAC-wise schemes and projects taken under different heads such as PMMSY, ASAPALI & SWIFT and under SOPD & RIDF.

(b) Detailed report on Fishery sector of the project RURBAN executed in Hajo (along with the names of beneficiaries against each head).

(c) In which places of Kamrup, the Govt. has executed the projects on CAGE CULTURE and ORNAMENTAL FISH CULTURE.

*বিষয়ঃ* **PMGSY রাস্তা মেরামত**

শ্রীসুজাম উদ্দিন লস্কর ঃ

২৩৫। মাননীয় লোক নির্মাণ পথ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার কাটলিছড়া ভেটারবন্দ রাস্তা হরিশনগর থেকে রাঙ্গাবাক হয়ে খণ্ড পর্য্যন্ত PMGSY এর আওতায় প্যাকেজ নং AS-09-79 অনুমোদন বর্ষ ২০১৯-২০ ইংরাজী গত ১৭/০৩/২০২০ ইংরাজীতে কাজ আরম্ভ হয়ে ৩১/০৩/২০২২ ইংরাজীতে কাজ সমাপ্ত হয় কিন্তু বর্তমানে এই রাস্তার বেহাল অবস্থার বিষয়ে সরকার অবগত আছে কি?

(খ) যদি অবগত থাকে তবে এই রাস্তাটি ৬ বৎসরের তদারকির মূল্য ১০৩.০৪ লক্ষ টাকা থাকা সত্ত্বেও কেন রাস্তা মেরামত করা হয় না কারণ কি?

(গ) যদি পূর্বের ঠিকাদার উক্ত রাস্তাটির মেরামতের কাজ না করে তবে Work Order Cancel করে নতুন ঠিকাদারের নামে কাজটি বরাদ্ধ করা হবে কি?

*বিষয় ঃ* **শ্ৰমিকৰ আঁচনি**

শ্ৰীনিজানুৰ ৰহমান ঃ

২৩৬। মাননীয় শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত বৰ্তমানলৈকে কিমান শ্ৰমিকৰ নাম পঞ্জীয়নভুক্ত কৰা হৈছে? সবিশেষ তথ্য দিব।

(খ) শ্ৰমিকসকলৰ বাবে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(গ) শ্ৰমিকসকলৰ উন্নয়নৰ বাবে চৰকাৰে নতুন কোনো আঁচনি যুগুত কৰিছেনে? যদি কৰিছে, কি কি আঁচনি কৰিছে? তথ্য দিব।

*Sub.* : **Construction of rural stadium**

Shri SIRAJUDDIN AJMAL :

237. Will the Minister of PWD (Building) Department be pleased to state :

(a) Is the Government aware that the Chief Engineer (Building), PWD had taken necessary steps for the construction of three rural sports stadium at Islamnagar, Nilbagan and Borhwar accordingly to take all necessary steps, he had issued a letter (Ref : No. 1/853172/2024 dated 11-12-2024) to the Executive Engineer, PWD (Buildings), Hojai Division ?

(b) If so, please give the latest update regarding the above matter, including the process of allocating funds for the construction of these three rural sports stadiums in the current year.

(c) If funds are not allocated in the current year, will the process of allocating funds for the above three rural sports stadiums be completed by the next financial year ? Please provide details.

*বিষয় ঃ* **মুখ্যমন্ত্রী প্যাকেজের অধীনে অনুমোদিত রাস্তার টেণ্ডার প্রক্রিয়া বিলম্ব সংক্রান্ত প্রশ্ন।**

শ্রীখলিল উদ্দিন মজুমদার ঃ

২৩৮। মাননীয় PWD বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাটিগড়া সমষ্টির অন্তর্গত ২০২৫-২৬ অর্থ বছরে 'মুখ্যমন্ত্রী প্যাকেজ'-এর অধীনে একাধিক রাস্তা অনুমোদিত এবং এষ্টিমেট প্রস্তুত হওয়া সত্ত্বেও, সংশ্লিষ্ট বিভাগ কর্তৃক এখন পর্যন্ত উক্ত রাস্তাগুলির টেণ্ডার প্রক্রিয়া শুরু করা হয়নি-এর কারণ কী?

(খ) সরকার ছাত্র-ছাত্রী, সাধারণ যাত্রী ও অসুস্থ রোগীদের চলাচলের সুবিধার্থে, কবে নাগাদ উক্ত রাস্তাগুলির টেণ্ডার প্রক্রিয়া সম্পন্ন করে রাস্তা নির্মাণ কাজ শুরু ও সমাপ্ত করা হবে?

*Sub.* : **132 KV Sub Station**

Shri MIHIR KANTI SHOME :

239. Will the Minister of Power Department be pleased to state :

(a) Whether from GOI have been received ?

(b) If yes, then what steps were taken after clearance received ?

*Sub.* : **Construction of boys hostel under MSDP at Mandia Anchalik College, Barpeta-Baghbar, IB at Mandia etc.**

Shri SHERMAN ALI AHMED :

240. Will the Minister of PWD be pleased to state :

(a) In view of reply to starred QN 94 dated 12-02-2024, what action is taken on letter no. CE/TB-VII/87/2013 dated 03-02-2024 regarding forfeiture of security money ?

(b) whether contractor Mrigen Sutradhar is blacklisted ? If not, why ?

(c) Why the boys hostel is not completed in full as per original provisions ?

(d) Would the Government be pleased to revalidate AA No. AA/PWR_2018-19(I)_5660 dtd.05-01-2019 for construction of an IB at Mandia ?

(e) What is present status of implementation of Mandia-Dighirpam road under SOPD for 2018-19 ? Please furnish physical and financial progress.

(f) Is it true that road furniture at Barpeta-Baghbar road is not provided despite provision of Rs. 20.55 lakh in DPR ?

(g) Is it true that MBCB is provided for 4 bridges against provision of 8 bridges ?

(h) What is present status of utility shifting ? Please furnish parameters-wise and payment (date-wise) details.

(i) What action is taken on my memo no. 45/D-5(i)(B)/2025-26 dated 19-08-2025 to C&S, PWD ?

*বিষয়ঃ* **ভারতমালার প্রকল্পাধীন কাটিগড়া বিধানসভা সংলগ্ন কালাইন-বড়খলা রোড সম্পর্কিত।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

২৪১। মাননীয় PWD বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ভারতমালার প্রকল্পাধীন কাটিগড়া বিধানসভা সংলগ্ন কালাইন-বড়খলা রোড ভায়া বিহাড়া বাজার সড়কটির নির্মাণকার্য্য প্রায় বন্ধ অবস্থায় আছে, এই বিষয়ে সরকার অবগত কী?

(খ) উক্ত সড়কটি সংস্কারের অভাবে বর্তমানে যাতায়াতের জন্য পুরো অনুপযোগী হয়ে আছে, তাই সড়কটির নির্মাণকার্য্য যাতে অতি তীব্রগতিতে করা হয় যারফলে এই বৃহত্তর এলাকার জনসাধারণের যাতায়াত তথা বিভিন্ন ধরণের অসুবিধা দূর হবে, অতিসত্বর সড়কটির সংস্কার করে যাতায়াতের জন্য উপযোগী করে তোলর ব্যবস্থা করবেন কী?

*বিষয় ঃ* **মঙ্গলদৈ চহৰৰ জেইল সম্পৰ্কে**

শ্ৰীবসন্ত দাস ঃ

২৪২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙ্গলদৈ চহৰৰ মাজত থকা ব্ৰিটিছৰ দিনৰ জেইলখনৰ দেৱাল সমূহ লাহে লাহে জহি খহি যোৱা বিষয়টো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, নতুনকৈ জেইলৰ বাবে মাটি আবণ্টন দিয়াৰ পিছতো এতিয়ালৈ নিৰ্মাণ নোহোৱাৰ কাৰণ কি? সবিশেষ জনাব।

*বিষয় ঃ* **গৃহৰক্ষী বাহিনীক নিয়মীয়াকৰণ**

শ্ৰীমজিবুৰ ৰহমান ঃ

২৪৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ অসমত বৰ্তমানে কিমান সংখ্যক গৃহৰক্ষী বাহিনী কৰ্মৰত অৱস্থাত আছে? তেওঁলোকক নিয়মীয়াকৰণ কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? (জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব।)

(খ) গৃহৰক্ষী বাহিনী সকলক বৰ্তমানে মাহিলী বেতন কিমানকৈ দি থকা হৈছে? তেওঁলোকৰ বেতন বৃদ্ধিৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? বিতংভাৱে জনাব।

*বিষয় ঃ* **পথ পকীকৰণ**

শ্ৰীদিগন্ত বৰ্মন ঃ

২৪৪। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

৩৮ নং বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত নিম্ন লিখিত গুৰুত্বপূৰ্ণ পথ কেইটা পকীকৰণ কৰাৰ ব্যৱস্থা লবনে?

(১) মৰোৱা-কমলপুৰ পথৰ পুৰ্নদৈচপৰা গাঁৱৰ তৰুন লহকৰৰ ঘৰৰ পৰা 'হনুমান মন্দিৰ' লৈ যোৱা পথ।

(২) পৰোৱা গাঁৱৰ ৰতন দাসৰ ঘৰৰ পৰা পৰোৱা শিৱ মন্দিৰলৈ যোৱা পথ। (৮৫০ মিটাৰ)

(৩) আমৃখোৱা মাজদিয়া গড়কাপ্তানি পথৰ ঘামেশ্বৰ ডেকাৰ ঘৰৰ পৰা হাবলাখোৱা বিল হৈ হাৰিঘাটা পথ।

(৪) কৰ্দ্দৈতলা মছজিদ চ'কৰ পৰা কৰ্দ্দৈতলা কবৰ স্থান পথ।

(৫) বৰগাছা বড়ো চুবুৰীৰ ভড়াল ত'লাৰ পৰা বৰজান মথাউৰি পথ।

(৬) নাৰপাৰা-বৰবৰী মিলৰ চ'ক সংযোগী পথৰ গোপাল মন্দিৰৰ সন্মুখৰ পৰা নাৰপাৰা-বড়িদতৰা সংযোগী পথ। (৪০০ মি.)

(৭) বৰ্নিবাৰী-পাইকান বনমাজা পথৰ বনমাজা ঈদগাহ মৈদানৰ পৰা ইচিম আলীৰ ঘৰ হৈ যোৱা পথ।

(৮) আমৃখোৱা ভেল্লা-পল্লা গড়কাপ্তানি পথৰ পলাশ কলিতাৰ ঘৰৰ পৰা হিলেপাৰা পথৰ দিলীপ বৰ্মনৰ ঘৰ। (মুঠ দৈৰ্ঘ্য ১৮০০ মিটাৰ)

(৯) বৰবৰী মিলৰ চ'ক-নাৰপাৰা সংযোগী গড়কাপ্তানি পথৰ গোলক ডেকাৰ ঘৰৰ সন্মুখৰ খাটা ধম ধমাৰ পৰা উৎপল দাসৰ ঘৰৰ সন্মুখৰ বৰবৰী দুৰ্গা মন্দিৰলৈ যোৱা পথ।

*বিষয় ঃ* **আয়ুষ্মান কাৰ্ড**

শ্ৰীনজৰুল হক ঃ

২৪৫। মাননীয় চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনাৰ অধীনত কি কি বেমাৰ চিকিৎসাৰ বাবে অন্তৰ্ভুক্ত হয়? বিতং ভাৱে জনাব।

(খ) আয়ুষ্মান ভাৰত কাৰ্ডৰ জৰিয়তে চৰকাৰে বিনামূলীয়াকৈ কিমান টকালৈকে চিকিৎসা সেৱা আগবঢ়ায়? এই বিনামূলীয়াকৈ আগবঢ়োৱা চিকিৎসা সেৱা চৰকাৰী আৰু ব্যক্তিগত চিকিৎসা খণ্ড উভয়তে প্ৰযোজ্য হয়নে? বিতং ভাৱে জনাব।

(গ) অসমৰ জিলা সমূহৰ কোন কোন ব্যক্তিগত হস্পিতালত এই সেৱা আগবঢ়োৱা হয়? জিলা ভিত্তিত পৃথকে পৃথকে ব্যক্তিগত হস্পিতালৰ নামসহ বিস্তাৰিত তথ্য সদনত দাখিল কৰিব।

(ঘ) Kidney Stone আৰু Gall Bladder Stone ৰ চিকিৎসা আয়ুষ্মান কাৰ্ডৰ অন্তভুক্তিনে? যদি অন্তভুক্তি নহয়, এই দুটা বেমাৰৰ চিকিৎসা অন্তভুক্তি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **Pension ব্যৱস্থাটো অনলাইন আৰু আধুনিকীকৰণ।**

ডাঃ আচিফ মঃ নাজাৰ ঃ

২৪৬। মাননীয় ৰাজহুৱা অভিযোগ আৰু পেঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

সমগ্ৰ Pension ব্যৱস্থাটো চৰকাৰে অনলাইন আৰু আধুনিক কৰাৰ কথা কৈছিল, সেই প্ৰক্ৰিয়া কিমান দূৰ আগবাঢ়িছে? এই পেঞ্চন প্ৰক্ৰিয়াটো খৰতকীয়া কৰিববৈলে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে?

*বিষয় ঃ* **চৰকাৰী চিকিৎসা মহাবিদ্যালয় সম্পৰ্কে**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

২৪৭। মাননীয় চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানখন চৰকাৰী চিকিৎসা মহাবিদ্যালয় আছে? এখন পূৰ্ণাঙ্গ চিকিৎসা মহাবিদ্যালয়ত কি কি বিভাগ থকাটো জৰুৰী?

(খ) চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত অসমৰ প্ৰতিটো চিকিৎসা মহাবিদ্যালয়ত প্ৰতিটো বিভাগ উপলব্ধ আছেনে? যদি নাই, কিয় নাই আৰু কেতিয়া উপলব্ধ হ'ব বিতংকৈ জনাব।

(গ) চিকিৎসা শিক্ষা চলি থকা চিকিৎসা মহাবিদ্যালয় সমূহত প্ৰতিটো বিভাগৰ বিপৰীতে পৰ্য্যাপ্ত পৰিমাণে চিকিৎসা শিক্ষক আছেনে? যদি নাই, তেন্তে কেতিয়া এই পৰিপূৰ্ণ চিকিৎসক নিযুক্তি দিব, বিতংকৈ জনাব।

*বিষয় ঃ* **অসমৰ বিল, মাছ পালন ইত্যাদি**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

২৪৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমান বিল আছে? এই বিলসমূহৰ পৰা বছৰি কিমান ৰাজহ সংগ্ৰহ কৰা হৈছে? তথ্য সহকাৰে জনাব।

(খ) বৰ্তমান অসমত কিমান পুখুৰী আছে? এই পুখুৰীসমূহৰ পৰা চৰকাৰে বছৰি কিমান ৰাজহ সংগ্ৰহ কৰি আহিছে?

(গ) থলুৱা প্ৰজাতিৰ মাছৰ বৃদ্ধিৰ বাবে চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে জনাব।

(ঘ) থলুৱা প্ৰজাতিৰ মাছৰ বৃদ্ধিৰ বাবে উৎপাদন কৰা সকলৰ বাবে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি?

(ঙ) চৰকাৰে কি ভিত্তিত চৰকাৰী বিল, পুখুৰী সমূহ লীজত দি আহিছে আৰু কিমান বছৰৰ বাবে দিছে জনাব।

*বিষয় ঃ* **চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি আৰু মাটিৰ আবণ্টন।**

শ্ৰীঅখিল গগৈ ঃ

২৪৯। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান চাহ জনজাতি আৰু আদিবাসী পৰিয়াল আছে? তেখেতসকলৰ মুঠ জনসংখ্যা কিমান? ইয়াৰে কিমানে বাগিচাৰ লাইনত বাস কৰে আৰু কিমানে গাঁও এলেকাত বাস কৰে?

(খ) চাহ জনজাতি আৰু আদিবাসী মুঠ পৰিয়ালৰ কিমান পৰিয়ালৰ হাতত মাটিৰ পট্টা আৰু নিজা ঘৰ আছে জনাব।

(গ) চাহ শ্ৰমিকসকলৰ বৰ্তমানৰ দৈনিক মজুৰি কিমান? চৰকাৰে তেখেতসকলৰ দৈনিক মজুৰি ৩৫১ টকা অথবা ততোধিক কেতিয়া কৰিব?

(ঘ) কিমান চাহ শ্ৰমিকৰ পি এফ বাগান কৰ্তৃপক্ষই জমা দিবলৈ বাকী আছে? সেই সমূহ সম্পূৰ্ণৰূপে জমা দিয়াৰ বাবে বিভাগে কি ব্যৱস্থা লৈছে?

*বিষয় ঃ* **ITI ইলেক্ট্ৰিকেল সম্পৰ্কে**

শ্ৰীতৰঙ্গ গগৈ ঃ

২৫০। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ITI ইলেক্ট্ৰিকেল পাছ কৰাৰ পিছত বিদ্যুৎ বিভাগে নিজাকৈ পৰীক্ষা পাতি চাৰ্টিফিকেট দিয়ে নেকি?

(খ) যোৱা ১০ বছৰত বিদ্যুৎ বিভাগে কি কি পৰীক্ষা পাতিছে আৰু ৰাজ্যত কি কি পৰীক্ষা বাতিল কৰা হ'ল আৰু কি কি পৰীক্ষা বাহাল ৰাখিছে? সবিশেষ জনাব।

---

Assam Government Press 220/25-LAQ-750-23-11-2025